অসম

নাবালিকাক অপহৰণ আৰু ধৰ্ষণৰ গোচৰত যুৱকক ১০ বছৰৰ কাৰাদণ্ড কাছাৰ আদালতৰ

নাবালিকাক অপহৰণ আৰু ধৰ্ষণৰ গোচৰত কার্তিক দাস নামৰ এজন যুৱকক ১০ বছৰৰ কাৰাদণ্ড বিহিছে কাছাৰৰ বিশেষ আদালতে।

প্ৰকাশ: ২৮ নৱেম্বৰ ২০২৬, পুৱা ১১:৫০



শিলচৰ: এগৰাকী নাবালিকাক অপহৰণ কৰি ধৰ্ষণ কৰাৰ গোচৰত কার্তিক দাস ওৰফে পঙ্কু নামৰ এজন যুৱকক ১০ বছৰৰ কাৰাদণ্ড বিহিছে কাছাৰৰ বিশেষ আদালতে। শুকুৰবাৰে বিশেষ ন্যায়াধীশ বিপ্ৰজিত ৰায়ৰ আদালতে এই ৰায় ঘোষণা কৰে। শাস্তি লাভ কৰা কার্তিকৰ বয়স বর্তমান ২২ বছৰ আৰু তেওঁ বদৰপুৰ আৰক্ষী থানাৰ অন্তর্গত মালুৱা জগন্নাথপুৰৰ বাসিন্দা।

ঘটনাৰ বিৱৰণী অনুসৰি, ২০২৩ চনৰ ১৪ অক্টোবৰত মহালয়াৰ দিনা পুৱতি নিশা কাটিগড়া থানা এলেকাৰ ১৬ বছৰীয়া নাবালিকাগৰাকী ঘৰৰ পৰা ওলাই যোৱাৰ পাছত সন্ধানহীন হৈ পৰে। সেই সময়ত অভিযুক্তৰ বয়স আছিল ১৯ বছৰ। পৰিয়ালৰ লোকে বিচাৰ-খোচাৰ কৰি অভিযুক্ত কার্তিকে কিশোৰীগৰাকীক অপহৰণ কৰি নিয়াৰ কথা জানিব পাৰে আৰু কাটিগড়া থানাত এখন এজাহাৰ দাখিল কৰে।

এজাহাৰৰ ভিত্তিত তদন্ত চলাই আৰক্ষীয়ে ঘটনাৰ তিনিদিন পাছত কার্তিকৰ ঘৰৰ পৰা নাবালিকাগৰাকীক উদ্ধাৰ কৰে। উদ্ধাৰৰ পাছত কিশোৰীগৰাকীয়ে অভিযোগ কৰে যে অপহৰণৰ পাছত তেওঁক প্ৰথমে অভিযুক্তৰ এজন

আত্মীয়ৰ ঘৰত ৰখা হৈছিল। পাছত কার্তিকৰ ঘৰৰ এটা কোঠাত আৱদ্ধ কৰি মোবাইল ফোন কাঢ়ি লৈ তেওঁক ধর্ষণ কৰা হয়।

আৰক্ষীৰ তদন্তৰ অন্তত আদালতত গোচৰটোৰ বিচাৰ প্রক্রিয়া আৰম্ভ হয়। বিচাৰ প্রক্রিয়া সম্পূর্ণ হোৱাৰ পাছত পকচো (POCSO) আইনৰ ৪ নম্বৰ ধাৰাৰ অধীনত আদালতখনে কার্তিক দাসক ১০ বছৰৰ কাৰাদণ্ড আৰু ২ হাজাৰ টকাৰ জৰিমনা বিহে। জৰিমনা অনাদায় হ'লে অতিৰিক্ত এক মাহ কাৰাবাস খাটিব লাগিব বুলি নির্দেশ দিয়ে।

ইয়াৰ উপৰি ভাৰতীয় দণ্ডবিধিৰ ৩৬৬ ধাৰাত দোষীক ৩ বছৰৰ কাৰাদণ্ড আৰু ১ হাজাৰ টকাৰ জৰিমনা বিহা হৈছে। দুয়োটা শাস্তি একেলগে কার্যকৰী হ'ব বুলি আদালতে স্পষ্ট কৰি দিয়ে। আদালতৰ এই নির্দেশৰ পাছতেই কার্তিক দাসক শিলচৰ কেন্দ্রীয় কাৰাগাৰলৈ প্রেৰণ কৰা হয়।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/7136/cachar-court-convicts-youth-minor-rape-case